# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2025
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

---

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত ইণ্ডিয়ান চেম্বাৰ অব কৰ্মাচে আয়োজন কৰা এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ১৪০ গৰাকীৰো অধিক উদ্যোগপতিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কোৰিয়াৰ কোম্পানীসমূহক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। প্ৰকৃতিৰ অনবদ্য অৱদানেৰে ভৰপূৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ ব্যাপক সম্ভাৱনাৰ কথা মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

ড০ শৰ্মাই লগতে কোৰিয়া বাণিজ্য-বিনিয়োগ প্ৰসাৰ সংস্থাৰ অধ্যক্ষ কিয়ুং চুং কা আৰু সংস্থাটোৰ অন্যান্য প্ৰতিনিধিসকলৰ সৈতেও আলোচনাত মিলিত হয়। বৈঠকত অসম আৰু কোৰিয়াৰ ব্যৱসায় কেন্দ্ৰিক পাৰস্পৰিক লাভালাভক প্ৰধান্য দি ব্যৱসায়, বাণিজ্য, উদ্যোগ আৰু দক্ষতাৰ ক্ষেত্ৰত বিকাশ আৰু উন্নয়নৰ হকে অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিসকলক অসমৰ সমৃদ্ধ পৰ্যটন সম্ভাৱনাৰ কথা অৱগত কৰোৱাৰ লগতে ৰাজ্যত ছেমিকণ্ডাক্টৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে।

দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰীয়ে টকিঅ'ত উদ্যোগপতি তথা ব্যৱসায়িক নেতৃত্বৰ সৈতেও আলোচনাত মিলিত হ'ব। জাপান আৰু দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তত অহা ১০ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০

ৰাজ্যৰ ১৪ খন জিলাক সামৰি আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়ন আৰম্ভ হৈছে। দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত সামৰি লোৱা ১৪ খন জিলা হৈছে- বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং। শিক্ষা বিভাগৰ তথ্য অনুসৰি আজিৰে পৰা ২২ জানুৱাৰীলৈ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ৰ ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে। ইয়াৰ বাবে ইতিমধ্যে ৬ হাজাৰ ৫৩ গৰাকী বহিঃ নিৰীক্ষকক দায়িত্ব প্ৰদান কৰা হৈছে।

কামৰূপ মহানগৰৰ গুৱাহাটীৰ তাৰিণী চৰণ চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়তো আজিৰে পৰা গুণোৎসৱৰ বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে।

বাক্সা জিলাতো বিদ্যালয়সমূহৰ গুণগত মান নিৰ্ণয়ৰ বাবে ২০২৫ বৰ্ষৰ গুণোৎসৱৰ বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে। জিলাখনৰ শিক্ষা বিভাগে জনোৱা অনুসৰি এই গুণোৎসৱত বাক্সা, জালাহ, টিহু, বৰমা, তামুলপুৰ আৰু

গোৰেশ্বৰ শিক্ষা খণ্ডক সাঙুৰি সৰ্বমুঠ এহেজাৰ ৬৮৫ খন বিদ্যালয়ৰ এক লাখ ৬৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। বাক্সা আৰু তামুলপুৰ জিলাত এই গুণোৎসৱ সুকলমে নিৰীক্ষণ কৰিবলৈ ৬৮৭ গৰাকী বহিঃমূল্যায়কক দায়িত্ব প্ৰদান কৰা হৈছে।

শোণিতপুৰ জিলাত আজিৰে পৰা জিলাখনৰ বিভিন্ন বিদ্যালয়ত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে। এই উপলক্ষে জিলা আয়ুক্ত অংকুৰ ভৰালীয়ে জিলা সদৰত থকা বিদ্যালয়সমূহ পৰিদৰ্শন কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা কাৰিকৰী শাখাৰ ১৮ গৰাকী সহকাৰী অভিযন্তাক আজি নিযুক্তিপত্ৰসমূহ প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ দিছপুৰত অৱস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন তথা প্ৰশিক্ষণ কেন্দ্ৰত আজি পুৱা আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰে ৰূপায়ণ কৰি থকা স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে বিগত বৰ্ষৰ ৭ অক্টোবৰ পৰ্যন্ত ১ লাখ ২৫ হাজাৰ ৩০ গৰাকী শিক্ষিত নিবনুৱাক নিযুক্তি দিয়া হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত কাইলৈ পেন আই আই টি ৱৰ্ল্ড অৱ্ টেকন'লজি মিট ২০২৫ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিষ্ঠানটোৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত হ'বলগীয়া প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় এই সন্মিলনখন কাইলৈ পুৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি এছ কোটাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। গুৱাহাটী প্ৰেছ ক্লাবত কালি আয়োজিত এখন সংবাদ মেলত আই আই টি গুৱাহাটীৰ একাংশ বিষয়ববীয়াই এই কথা জানিবলৈ দি কয়, যে কাইলৈৰ এই অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক সঞ্চালক অধ্যাপক ডি এন বুঢ়াগোহাঁই আৰু প্ৰাক্তন সঞ্চালক অধ্যাপক গৌতম বৰুৱাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

বৰপেটা সাহিত্য সভাৰ উদ্যোগত আজি বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ স্মৃতি দিৱস উদযাপন কৰা হয়। অসম সাহিত্য সভাৰ পতাকা উত্তোলন আৰু বৰপেটা সাহিত্য সভাৰ চৌহদত থকা কবিগৰাকীৰ আৱক্ষ মূৰ্তিত স্মৃতি তৰ্পণেৰে এই কাৰ্যসূচী আৰম্ভ কৰা হয়। বিয়লি সাহিত্য সভাৰ কাৰ্যালয়ৰ অম্বিকাগিৰি বাণীকান্ত ভৱনত এখন স্মৃতি সভাৰ আয়োজন কৰা হয়। সভাত বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ সাহিত্য, দেশপ্ৰেম আৰু সমাজক সচেতন কৰি তোলাৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত আজিৰে পৰা বড়োলেণ্ড ক্ৰীড়া সমাৰোহৰ তৃতীয় সংস্কৰণ আৰম্ভ হৈছে। বিটিচি ক্ৰীড়া বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা এই ক্ৰীড়া সমাৰোহ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উদ্বোধন কৰে। এই ক্ৰীড়া সমাৰোহত বিটিআৰৰ ৫ খন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰিৰ প্ৰায় এহেজাৰ ক্ৰীড়াবিদে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগীসকলে এথলেটিকছৰ বিভিন্ন শাখাৰ লগতে ফুটবল, ভলীবল, কাবাডী, ধনু চালনা আৰু কেইবাবিধো থলুৱা খেলৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। পৰহিলৈ এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০

সমাপ্ত